# উদ্যম পঞ্জীয়নৰ লাভসমূহ

ভাৰত চৰকাৰৰ ক্ষুদ্ৰ, লঘু আৰু মধ্যমীয়া উদ্যোগ মন্ত্ৰালয়ে গেজেট অব ইণ্ডিয়া, এক্সট্ৰা অৰ্ডিনেৰী, পাৰ্ট-২, চেক্সন-৩, চাব-চেক্সন (ii) তাং ২৬ জুন, ২০২০ যোগে জাননী জাৰী কৰে যে বিনিয়োগ আৰু আয় দুয়োটাকে যৌথভাৱে গণ্য কৰি উদ্যোগসমূহক ক্ষুদ্ৰ, লঘু আৰু মধ্যমীয়া উদ্যোগ হিচাপে শ্ৰেণীভুক্ত কৰিবলৈ ১ জুলাই, ২০২০ তাৰিখৰ পৰা কাৰ্যকৰপী হোৱাকৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

এই নতুন শ্ৰেণীবিভাজনৰ পৰিপ্ৰেক্ষিতত এম এছ্ এম ই সমূহে ব্যৱসায় কৰাৰ সুবিধাৰ্থে এম এছ্ এম ই সমূহক স্থায়ীভাৱে পঞ্জীয়ন অৰ্থাৎ “উদ্যম পঞ্জীয়ন” কৰাৰ সুবিধা দিছে।

লক্ষ্যণীয় বৈশিষ্ট্যসমূহ :

- যিকোনো ব্যক্তিয়েই উদ্যোগৰ বাবে ‘উদ্যম পঞ্জীয়ন’ কৰিব পাৰে। নিম্নোক্ত প’ৰ্টেলসমূহৰ যোগে পঞ্জীয়ন কৰিব পাৰে :

  https://udyamregistration.gov.in/Government-India/Ministry-MSME-registration.htm

- উদ্যম পঞ্জীয়ন প্ৰক্ৰিয়াটো সম্পূৰ্ণৰূপে ডিজিটেল আৰু কাগজবিহীন। ইয়াত কোনো নথি-পত্ৰ আপল’ড কৰিব নালাগে।

- পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে বিনামূলীয়া। কাকো কোনো মূল্য বা মাচুল দিব নালাগে।

- “উদ্যম ৰেজিষ্টে’চন চাৰ্টিফিকেট” নামৰ এখন ই-প্ৰমাণপত্ৰ পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত অনলাইন যোগে প্ৰেৰণ কৰা হয়।

- এই প্ৰমাণপত্ৰত এটা দৃঢ় কিউ আৰ কোড থাকে, যিটোৰ যোগেদি আমাৰ প’ৰ্টেলত ৱেব পেজবোৰ খোল খাব আৰু উদ্যোগটোৰ বিৱৰণ লাভ কৰিব পাৰিব।

- কোনোবাই ইচ্ছাকৃতভাৱে ভুল প্ৰতিনিধিত্ব কৰে বা স্ব-ঘোষিত তথ্য আৰু সংখ্যাবোৰ লুকুৱাই ৰাখি উদ্যম পঞ্জীয়ন কৰে বা নৱীকৰণৰ সময়ত ভুল তথ্য দিয়ে তেনে ব্যক্তিক আইনখনৰ ২৭ নং ধাৰা মতে জৰিমনা বিহা হ’ব।

- এই অনলাইন ব্যৱস্থাটো আয়কৰ বিভআগ আৰু সামগ্ৰী আৰু সেৱা কৰ চিনাক্তকৰণ সংখ্যা (GSTIN) ব্যৱস্থাৰ লগত সংলগ্ন কৰি ৰখা হয়। উদ্যোগটোৰ বিনিয়োগ আৰু আয়ৰ বিস্তৃত তথ্য স্বয়ংক্ৰিয়ভাৱে চৰকাৰী ডাটাবেছৰ পৰা লোৱা হয়, ৰপ্তানীক টাৰ্ণ অভাৰৰ ভিতৰত ধৰা নহয়।

- যিসকলৰ ই এম-২ বা ইউ এ এম পঞ্জীয়ন আছে নাইবা এম এছ্ এম ই মন্ত্ৰালয়ৰ অধীনৰ আন যিকোনো কতৃÇপক্ষৰ পঞ্জীয়ন আছে তেওঁলোকেও ৩১-০৩-২০২১ ৰ আগতে পুনৰ পঞ্জীয়ন কৰিব লাগিব।

- কোনো উদ্যোগে একাধিক উদ্যম পঞ্জীয়ন কৰিব নোৱাৰিব। যদিও যিকোনো সংখ্যক কৰ্মৰাজী যেনে উৎপাদন বা সেৱা বা দুয়োটাই বিশেষভাৱে উল্লেখ কৰিব লাগিব বা এটা পঞ্জীয়নতে সংযোগ কৰিব পাৰিব।

পঞ্জীয়নৰ বাবে প্ৰয়োজনীয় সামগ্ৰী :

- পঞ্জীয়নৰ বাবে কেৱল আধাৰ নম্বৰটোৱেই যথেষ্ট।

- ০১-০৪-২০২১ ৰ পৰা পেন নম্বৰ আৰু জি এছ্ টি নম্বৰ থকাটো বাধ্যতামূলক হ’ব।

এই পঞ্জীয়নৰ লাভ সমূহ :

- এটা উদ্যোগৰ বাবে ই এটা স্থায়ী পঞ্জীয়ন আৰু প্ৰাথমিক চিনাক্তকৰণ নম্বৰ।

- এম এছ্ এম ই পঞ্জীয়ন কাগজবিহীন আৰু স্ব-ঘোষণাৰ ভিত্তিত হয়।

- পঞ্জীয়ন নবীকৰণৰ প্ৰয়োজন নহয়।

- যিকোনো ধৰণৰ কৰ্মৰাজী যেনে উৎপাদন বা সেৱা বা দুয়োটাই বিশেষভাৱে উল্লেখ কৰি একেটা পঞ্জীয়নতে অন্তৰ্ভুক্ত কৰিব পাৰি।

- উদ্যম পঞ্জীয়নৰ লগতে উদ্যোগসমূহে GeM (গভৰ্ণমেণ্ট ই-মাৰ্কেট প্লেছ, জিৰ পৰা বি লৈ এটা প'ৰ্টেল) আৰু সমাধান (SAMADHAAN) প'ৰ্টেল এটা প'ৰ্টেল য'ত ধন জমা দিয়াত দেৰী হোৱা বিষয়টো জনাব পাৰি) আৰু লগতে এম এছ্ এম ইবিলাকে TReDS প্লেটফৰ্মত অন্তৰ্ভুক্ত হ'ব লাগে ( এই প্লেটফৰ্মত গ্ৰহণ কৰা বাণিজ্যিক সামগ্ৰীৰ ইনভইচসমূহ গ্ৰহণ কৰা হয়) তিনিটা প্লেটফৰ্মৰ যোগেদি যেনে (১) www.invoicemart.com (২) www.mlxchange.com, (৩) www.rxil.in.C

- উদ্যম পঞ্জীয়নে লগতে এম এছ্ এম ই সকলক সহায় কৰে— এম এছ্ এম ই মন্ত্ৰালয়ৰ আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰিবলৈ সুবিধা দিয়ে। আঁচনিসমূহ যেনে — ঋণ নিশ্চিতকৰণ আঁচনি, লোক-ক্ৰয় আঁচনি, চৰকাৰী বাণিজ্যিক অতিৰিক্ত অংশ আৰু ধন আদায় দেৰী হোৱাৰ পৰা নিৰাপত্তা ইত্যাদি।

- বেংকৰ ঋণ লাভ কৰাত অগ্ৰাধিকাৰ লাভ কৰে।

ঋণ দানৰ অগ্ৰাধিকাৰ ক্ষেত্ৰ :

ভাৰতীয় ৰিজাৰ্ভ বেংকে বেংকসমূহক ঋণ দানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ ( পি এছ্ এল)ৰ নিৰ্দেশনা জাৰি কৰিছে। আৰ বি আয়ে ঋণ দানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ ইয়াৰ ০৪.০৯.০১ !!২০২০০-২১ দিনাংক ৪ ছেপ্তেম্বৰ, ২০২০ আৰ বি আই ! এফ আই ডি ডি! ২০২০-২১ ! !৭২ পৰিপত্ৰ মৰ্মে জাৰি কৰা নিৰ্দেশনাই মূল নিৰ্দেশ। সেই অনুসৰি ঋণ দানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ শ্ৰেণীসমূহ হ'ল (i) কৃষি (ii) সূক্ষ্ম, লঘু আৰু মধ্যম উদ্যম (iii) এক্সপোৰ্ট ক্ৰেডিট (iv) শিক্ষা (v) বাসগৃহ ( vi) সামাজিক আন্তঃগাঁঠনি ( vii) পুনৰ নিৰ্মিত শক্তি ( viii) অন্য। এতেকে, এম এছ্ এম ই খণ্ড ঋণ দানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ অন্তৰ্গত। আৰ বি আই মতে ভাৰত চৰকাৰৰ ৰাজপত্ৰ এছ্ অ' ২১১৯ (ই) দিনাংক ঃ ২৬ জুন ২০১০ মৰ্মে এম এছ্ এম ইসমূহৰ সংজ্ঞা আৰ বি আই !২০২০য২০২১য়১০ এফ এফ আই ডি ডি. এম এছ্ এম ই আৰু এন এফ এছ. বি ছি নং ৩য০৬.০২.৩১য২০২০-২১ ক ক এফ আই ডি ডি. এম এছ্ এম ই আৰু এন এফ এছ. বি ছি নং ৪য০৬.০২.৩১য২০২০-২১ কদিনাংক ২ জুলাই ২০২০ , ২১ আগষ্ট, ২০২০ হিচাপে পঢ়ি ক্ৰমশঃ মাইক্ৰো ক্ৰেডিট প্ৰৱাহ, লঘু আৰু মধ্যম উদ্যম খণ্ড আৰু সময়ে-সময়ে উন্নিত কৰা হ'ব। ইয়াপ উপৰিও এনে এম এছ্ এম ই যিকোনো প্ৰকাৰে সামগ্ৰী নিৰ্মাণ বা উৎপাদনত সংলগ্ন হোৱা উচিত, যি যদি প্ৰথম সূচী উদ্যোগসমূহ (বিকাশ আৰু বিনিয়ম) আইন, ১৯৫১ ৰ অন্তৰ্গত কোনো প্ৰকাৰে যিকোনো উদ্যোগ বিশেষ বা কোনো সেৱা বা সেৱাসমূহ প্ৰদান কৰাত ¸জৰিত।

এম এছ্ এম ইক ঋণদানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ খণ্ড মৰ্মে ঋণ প্ৰদান কৰা সকলো বেংক ঋণ আৰ বি আইৰ নিৰ্দেশনা অনুসৰি বৰ্গীকৰণৰ বাবে যোগ্য।